CS (MAIN) EXAM, 2010

Sl. No. 197

D–DTN–K–BTB

# ASSAMESE

## Paper—II

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

**1.** তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

*(a)* ৰাসক্ৰীড়াক ‘ইটো কামজয় কৃষ্ণৰ কথা’ বুলি কিয় কোৱা হৈছে? ইয়াত কৃষ্ণ আৰু গোপীসকলে দৰাচলতে কাক কাক প্ৰতিনিধিত্ব কৰিছে? আলোচনা কৰাঁ।

*(b)* ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি? তেওঁ ‘ভাগৱত-কথা’ৰ দ্বিতীয় স্কন্ধত মুখ্যতঃ কি বিষয় সামৰিছে? এই স্কন্ধৰ মূল তত্ত্ব কি, উল্লেখ কৰাঁ।

*(c)* মাধৱদেৱে মুঠ কিমান ‘বৰগীত’ ৰচনা কৰিছিল? তেওঁৰ ‘বৰগীত’সমূহ কোন বয়সৰ কৃষ্ণক লৈ ৰচনা কৰা? মাধৱদেৱৰ ‘বৰগীত’ৰ বিশেষত্ব বিচাৰ কৰাঁ।

(d) ‘গুৰুচৰিত-কথা’ৰ আধাৰত শঙ্কৰদেৱে কৰা ‘চিহ্নযাত্ৰা’ৰ এটি বিৱৰণ দিয়াঁ ।

2. ‘ৰামায়ণ’ৰ অযোধ্যাকাণ্ডটি আটাইতকৈ গুৰুত্বপূৰ্ণ কাণ্ড বুলি কিয় গণ্য কৰা হয় ? বিষয়বস্তুৰ আধাৰত তথ্য আৰু যুক্তিৰে উত্তৰ দিয়াঁ । 60

3. ‘ৰাজসূয়’ কাব্যত বৰ্ণিত ‘কৃষ্ণৰ নগৰ’ৰ স্থান আৰু দৈৰ্ঘ্য-প্ৰস্থৰ উল্লেখ কৰি নগৰখনৰ বিৱৰণ এটি দাঙি ধৰাঁ । 60

4. শঙ্কৰদেৱৰ ‘পাৰিজাতহৰণ’ নাটৰ ৰুক্মিণী, শচী আৰু সত্যভামা এই তিনিওটি নাৰী-চৰিত্ৰৰ সংলাপ আৰু আচৰণৰ মাজত ফুটি উঠা বিশেষত্ব সম্পৰ্কে আলোচনা কৰাঁ । 60

## Section—B

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

(a) বেজবৰুৱাৰ ‘মোৰ জীৱন সোঁৱৰণ’ৰ আধাৰত দীননাথ বেজবৰুৱাৰ দিনত থকা পৰিয়ালৰ দৈনিক জীৱন-যাত্ৰাৰ পৰিচয় দাঙি ধৰাঁ ।

(b) চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘বনকুঁৱৰী’ *বা* ‘নিয়ৰ’ কবিতাটি সম্পৰ্কে এটি আলোচনা লিখাঁ ।

(c) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘কাৰেঙৰ লিগিৰী’ নাটকৰ শেৱালি চৰিত্ৰটিৰ মূল্যায়ন কৰাঁ ।

(d) “ ‘গাঁওবুঢ়া’ নাটকত হাস্যৰস কৰুণৰসত পৰিণত হ’ল ।” মন্তব্যটিৰ যথাৰ্থতা দেখুওৱাঁ ।

**6.** বাণীকান্ত কাকতিয়ে 'নামঘোষা'ৰ যিকেইটি প্ৰধান বৈশিষ্ট্য দাঙি ধৰিছে, সেই বৈশিষ্ট্যকেইটিৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰা। 60

**7.** " 'মৃত্যুঞ্জয়'ৰ মাজত শেষ পৰ্যন্ত গান্ধীজীৰ অহিংসাৰ বাণীৰ গুৰুত্বই ব্যঞ্জিত হৈছে।" এই অভিমতটিৰ আধাৰত 'মৃত্যুঞ্জয়'ৰ এটি মূল্যায়ন আগবঢ়োৱা। 60

**8.** নৱকান্ত বৰুৱাৰ 'সম্রাট' কবিতাটিত আধুনিক মানুহৰ মনোদ্বন্দ্বৰ কেনেধৰণৰ প্ৰকাশ ঘটিছে, বিচাৰ কৰা। 60

★ ★ ★